# বালিঘৰ

জ্যোতিদেৱ গোস্বামী

প্ৰথমদিনাই ছোৱালীজনীৰ মৌ-বৰষা মাত-কথাই মোৰ অন্তৰ চুই গৈছিল। আজি ডেৰ বছৰমানৰ আগতে প্ৰান্তিকত মোৰ লেখা এটা পঢ়ি ভাল পাই তাই মোলৈ ফোন কৰিছিল। প্ৰথমতে কথা কওঁতে খোকোজা লাগিছিল যদিও সোনকালে ছোৱালীজনী সহজ হ'ল আৰু শুৱলা ভাষাৰে মোক ক'লে যে তাই হেনো মোৰ লেখা পঢ়িবলৈ পালে বৰ ভাল পায় আৰু সেয়েহে কাকত-আলোচনী দেখিলেই, খৰধৰকৈ মোৰ লেখা আছে নেকি তাকে বিচাৰি চায়। মোৰ লেখা নেদেখিলে তাই হেনো নিৰাশ হয় আৰু দেখা পালে তাইৰ মনটো বৰ ভাল লাগে। তেতিয়া তাই খৰধৰকৈ তাকে পঢ়ে। তাইৰ আপত্তি মই হেনো বৰ কমকৈ লিখোঁ।

কথা প্ৰসংগত ছোৱালীজনীয়ে জনালে যে তাইৰ নাম ৰুণুমী গগৈ। নাজিৰাৰ ওচৰৰ দিখৌ পাৰৰ এখন পিছপৰা গাঁৱত সিহঁতৰ ঘৰ। প্ৰতিদিনে প্ৰায় পাঁচ কিল'মিটাৰ খোজ কাঢ়ি তাই স্থানীয় কলেজখনত পঢ়িবলৈ যায়। বৰ্তমান তাই উদ্ভিদ বিজ্ঞানত সন্মান লৈ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী। মই জানিবলৈ আগ্ৰহ কৰা দেখি ৰুণুমীয়ে মোক ক'লে যে হায়াৰ ছেকেণ্ডেৰি পৰীক্ষাত তাইৰ ৰিজাল্ট ভাল আছিল; চাৰিটা বিষয়ত পঁচাশীৰ অধিক নম্বৰ পাইছিল। সেই নম্বৰেৰে তাই গুৱাহাটীৰ ভাল কলেজত 'ছিট' পালেহেঁতেন, পিছে ঘৰুৱা অৱস্থাৰ কাৰণে তাই সেই কথা নাভাবিলে। পদাৰ্থ বা ৰসায়ন বিজ্ঞান নপঢ়ি, উদ্ভিদ বিদ্যা পঢ়িলে কিয় বুলি মই সোধা প্ৰশ্নৰ উত্তৰত তাই ক'লে যে উদ্ভিদ বিজ্ঞান বিষয়টো তাই বেছি ভাল পায় আৰু ভৱিষ্যতে জৈৱপ্ৰযুক্তি বিজ্ঞানত গৱেষণা কৰি তাইৰ বিজ্ঞানী হোৱাৰ মন আছে। ছোৱালীজনীৰ পোনপটীয়া কথা-বতৰাত মই তাইৰ মনৰ সুস্থিৰতা আৰু একাগ্ৰতা দেখা পালোঁ।



দহ মিনিটমান পাছতে তাইৰপৰা ৱাটছএপত মোলৈ এটা 'মেছেজ' আহিল। শুদ্ধ-শুৱলা ভাষাৰে এইবাৰ তাই মোক কোৱা সেই একেখিনি কথাকে লিখিছে। নতুন কথা ইমানেই যে তাইৰ হেনো আজি মোৰ লগত কথা পাতি বৰ ভাল লাগিল। তাই বোলে ভাবিছিল যে তাইৰ লগত কথা পাতিবলৈ মোৰ সময়েই নহ'ব, পিছে ইমানখিনি সময় দি ইমান ঘৰুৱাকৈ কথা পতাৰ বাবে তাইৰ মনটো ভাল লাগি গ'ল। উত্তৰত মই তাইক সিহঁতৰ ঘৰৰ ঠিকনাটো দিবলৈ ক'লোঁ, যাতে মই তাইলৈ মোৰ শেহতীয়া কিতাপ দুখন ডাকত পঠাই দিব পাৰোঁ। লগে লগেই তাই মোলৈ ঠিকনাটো পঠাই দিলে।

তাই লিখা কথাখিনি বাৰে বাৰে পঢ়ি মই বুজি পালোঁ যে স্কুলীয়া কালতে ৰুণুমীয়ে নিজৰ মাতৃভাষাটো খুব ভালকৈ শিকিছিল, সেয়েহে ভাষা, বানান আৰু ব্যাকৰণ একোৰে ভুল তাই কৰা নাই। বহুতৰ দৰে 'তোমাক'টো তাই 'তুমাক' বুলি নিলিখে। ছোৱালীজনী চঞ্চল প্ৰকৃতিৰ নহয়, গহীন। তাই নিজৰ ঠিকনাটো গাঁও, ডাকঘৰ, পিন নম্বৰ আদি সকলো উল্লেখ কৰি নিয়াৰিকৈ লিখিছে। মোৰ জীৱনৰ অভিজ্ঞতাই মোক শিকাইছে যে যি ছাত্ৰ-ছাত্ৰী এটা বিষয়ত ভাল, সি সকলো বিষয়তেই ভাল। সেই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সকলো বিষয়তে একে ধৰণৰ নম্বৰ পায়। এটা বিষয়ত নবৈ আৰু আন এটা বিষয়ত চল্লিছ নাপায়। হায়াৰ ছেকেণ্ডেৰি পৰীক্ষাত তাই পোৱা নম্বৰতে সেই কথাকেই সূচাইছে। গতিকে ৰুণুমী নামৰ ছোৱালীজনী যে এজনী মেধাৱী ছাত্ৰী, সেই কথা মই প্ৰথম দিনাই গম পালোঁ।

কিতাপখন পাই ৰুণুমী উৎফুল্ল হ'ল। মই তাইৰ কথা-বতৰাত তাইৰ অসীম আনন্দ দেখা পালোঁ। কালি হেনো তাই এখন কিতাপ ওপৰে ওপৰে পঢ়িলেই। ৰাতি সেইখন মাকে পঢ়িবলৈ টান মাৰি লৈ গ'ল। আজি তাই সিখন কিতাপ ওপৰে ওপৰে পঢ়িবলৈ আৰম্ভ কৰিছে। কাইলৈ সোমবাৰে এখন কিতাপ লৈ গৈ কলেজৰ অফ পিৰিয়ডত তাইৰ বান্ধৱীজনীৰ লগত একেলগে বহি পঢ়িব। ছোৱালীজনীয়ে কথা পাতি থাকোঁতে তাইৰ কাষত থিয় হৈ কোনোবাই তাইক কথা সোঁৱৰাই দিয়া যেন মোৰ অনুমান হ'ল। মই সুধিলোঁ—"তোমাৰ কাষত সেয়া কোন?" তাই টপৰাই উত্তৰ দিলে— "এয়া মোৰ মা। আপোনাৰ লেখা পঢ়িবলৈ মায়েও খুব ভাল পায়। আপুনি মাৰ লগত কথা পাতিব?"

কথাষাৰ সুধি ৰুণুমী নৰ'লেই। জোৰ কৰি তাই ইতস্ততঃ কৰা মাকৰ হাতত ফোনটো গুঁজি দিলে। মহিলাই বৰ সমীহ কৰি সেহাই সেহাই জীয়েকে কোৱা কথাবোৰকে ক'লে। মই ইচ্ছা কৰি বিষয়টো সলাই পেলালোঁ। "মই তোমাক তুমিয়েই বুলিছোঁ, কিয়নো তুমি মোৰ ল'ৰা-ছোৱালীহালৰ প্ৰায় সম বয়সীয়াই হ'বা। সিহঁতৰ ল'ৰা-ছোৱালী পিছে সৰু সৰু। ৰুণুমীৰ নিচিনাকৈ কলেজলৈ যাব পৰা হোৱা নাই।" মানুহগৰাকীয়ে মোৰ কথা শলাগিলে। "মোক বৰ সৰুতে বিয়া দিছিল নহয়। মেট্ৰিক পৰীক্ষা দিবলৈ নাপালোঁৱেই। আমাৰ ঘৰৰ অৱস্থা বৰ বেয়া আছিল। ল'ৰা-ছোৱালীও এগোহালি। আমি সৰুতে মানুহৰ ঘৰে ঘৰে কাম কৰি খাইছিলোঁ। দেউতাও সৰুতে ঢুকাল। সেয়েহে মায়ে যাকে য'তে পালে তাকে তেনেকৈ বিয়া দি নিজৰ দায় সাৰিলে।" কথাকেইআষাৰ কৈ ৰুণুমীৰ মাকে হা হাকৈ হাঁহিলে। তাৰ পাছত ক'লে—"এতিয়াও আমাৰ অৱস্থা বৰ বেয়া। খাবলৈকে নাই। তথাপি মই লোকৰ মাটিত ভুঁই ৰুই, ধান দাই আৰু তাঁত-সূতৰ কাম কৰি ল'ৰা-ছোৱালীহালক কোনোমতে পঢ়াই আছোঁ। এতিয়া ৰুণুমীয়ে পাছ কৰি চাকৰি-বাকৰি এটাত সোমালেহে ঘৰখন বাচিব। পিছে চাকৰিনো পাব ক'ত? আজিকালি পইচা নিদিলে চাকৰি পাব জানো? আমিনো পইচা ক'ৰ পৰা দিম? পিছে তাইক আৰু পঢ়োৱাৰ সামৰ্থ্য আমাৰ নাই।" বৰ হতাশমনে মহিলাগৰাকীয়ে কথাখিনি ক'লে।

মাকৰ হাতৰপৰা ফোনটো ওভতাই লৈ ৰুণুমীয়ে থোৰতে জনালে যে সিহঁতৰ দেউতাকৰ পঢ়াশুনা নাই। নগৰত হাজিৰা কাম কৰি তেওঁ কোনোমতে পৰিয়ালৰ ভাতমুঠি মোকলাই থাকে। সেয়ে হ'লেও সদায় মানুহজনে কাম নাপায়। আজিকালি দেউতাকৰ গাটোও সঘনে বেয়া হৈ থাকে। এইবোৰ চিন্তাতে মানুহটোৰ অনবৰতে খং উঠি থাকে। জীয়েকৰ পঢ়াশুনাৰ কথাটো তেওঁ মুঠেই ভাল নাপায়। মাকে কিন্তু অ'ত-ত'ত কাম কৰি অথবা কচু-ঢেঁকীয়া বেচি সিহঁত দুটাৰ পঢ়া খৰচটো উলিয়ায়। মাকৰ কথা হ'ল, ডাঙৰজনীয়ে পঢ়া এৰিলে